# সাগৰীয় খাদ্য সংসাধন গোটত কৰ'না ভাইৰাছৰ সংক্ৰমণ ৰোধ কৰিববলৈ প্ৰাথমিক ৰক্ষণাত্মক ব্যৱস্থা

কভিড-১৯ শ্বাস-প্ৰশ্বাসীয় কণিকাৰ দ্বাৰা বিয়পে।



আক্ৰান্ত ব্যক্তিয়ে ভাইৰাছযুক্ত কণিকা কাহ বা নিশাহৰ লগত এৰি দিয়ে।

৬২-৭১% ফটিকা বা ০.৫% হাইড্ৰ'জেন (পেৰক্সাইড বা ০.১% ছ'ডিয়াম হাইপক্লৰাইটেৰে উপৰিভাগ পৰিষ্কাৰ কৰি কৰ'না ভাইৰাছৰ সক্ৰিয়তা ৰোধ কৰিব পাৰি।

## সংস্পৰ্শত নহাকৈ পৰীক্ষাকৰণ

মূল প্ৰৱেশদ্বাৰত ব্যক্তিৰ উচ্চ উষ্ণতা পৰীক্ষা কৰক। চৰ্দী বা পানী লগা জ্বৰত আক্ৰান্ত ব্যক্তিক সোমোৱাত বাধা দিয়ক।



**কাক পৰীক্ষা কৰিব?**

- কাৰ্যালয়ৰ কৰ্মচাৰী
- শ্ৰমিক (কেঁচা সামগ্ৰী সংগ্ৰহ কৰোঁতা; প্ৰাক সংসাধন কাম, সংসাধন কাম, শীতলীকৃত ঘৰ, কলঘৰ, পানী সংশোধন গোট, গেদযুক্ত পানী শুদ্ধিকৰণ গোটত নিয়োজিত কৰ্মী)
- গ্ৰাহক/ অভ্যাগত / নিৰাপত্তাৰক্ষী / বিষয়ববীয়া

## হাতৰ চাফ-চিকুণতা সুনিশ্চিত কৰক

সঘনাই ফটিকাযুক্ত বীজাণুনাশকেৰে হাত শুদ্ধি কৰক বা চাবোন আৰু পানীৰে হাত ধুৱক।



**ক'ত?**

- কাপোৰ-কানি বদলি কক্ষ
- জিৰণিকক্ষ
- কাৰ্যালয়ৰ কক্ষ
- কলঘৰ
- নিৰাপত্তাৰক্ষী কক্ষ

## সামাজিক দূৰত্ব বজাই ৰাখক

অতি কমেও শ্ৰমিকসকলৰ মাজত ১ মিটাৰ (৩ ফুট) দূৰত্ব বজাই ৰাখক।

সকলো শ্ৰমিকে মাস্ক পিন্ধাতো বাধ্যতামূলক কৰক।



**ক'ত?**

- প্ৰাক-সংসাধন মেজ
- সংসাধন মেজ
- সুকীয়াকৈ ক্ষিপ্ৰতাৰে বৰফাবৃত সামগ্ৰী নিৰ্মাণত ব্যৱহৃত চলন্ত মেচিন
- সামগ্ৰী আবৃত কৰা কক্ষ

## সংস্পৰ্শত অহা ঠাইৰ শুদ্ধিকৰণ

মানুহৰ সংস্পৰ্শত আহিব পৰা সকলো ঠাই ছ'ডিয়াম হাইপক্লৰাইটেৰে স্প্ৰে কৰক বা মোহাৰক।



**ক'ত?**

- দুৱাৰ, হেণ্ডেল, মেজ
- চৌপাশ (ডাইনিং হল, জিৰণি কক্ষ, শ্ৰমিকৰ আৱাসিক গৃহ)
- বাহন
- প্ৰৱেশদ্বাৰ

ICAR-Central Institute of Fisheries Technology (ICAR-CIFT), Kochi, India